# সফলতাৰ কাহিনী

| | | |
|---|---|---|
| কৃষকৰ নাম | ঃ | শ্ৰীমতী বৰ্ণালী দেৱী বৰুৱা |
| ঠিকনা | ঃ | গাওঁ - কৰদৈগুৰি, বৰপথাৰ |
| | | ধনশিৰী মহকুমা, গোলাঘাট জিলা |
| গাওঁ পঃ কৃঃ সঃ কৰ্মীৰ এলেকা | ঃ | শিঙিমাৰী |
| কৃষি উঃ বিষয়াৰ চক্ৰ | ঃ | বৰপথাৰ, সৰুপথাৰ কৃষি মহকুমা |

**কৃষকৰ পৰিচয় ঃ** বৰপথাৰ অঞ্চলৰ কৰদৈগুৰি গাঁৱৰ এটি দৰিদ্ৰ কৃষক পৰিয়ালৰ জীয়ৰী শ্ৰীমতী বৰ্ণালি দেৱী বৰুৱাই অলপ মূল ধনেৰেই কৃষি বিভাগৰ সহযোগত ফুলৰ খেতি কৰি স্বাৱলম্বী হৈছে। অসম চৰকাৰে ভূমিহীন, বানপীড়িত কৃষকলৈ আগবঢ়োৱা মাটি কেইবিঘাতে বৰ্ণালীৰ দেউতাক শ্ৰীযুত হৰেণ বৰুৱাদেৰে অলপ-অচৰপ খেতিবাতি কৰি পৰিয়ালটি পোহপাল দিছিল। কিন্তু তেওঁৰে জীয়াৰী বৰ্ণালীয়ে কলেজীয়া শিক্ষা সমাপ্ত কৰি চৰকাৰী চাকৰি নিবিচাৰি আধুনিক কৃষি পদ্ধতিৰে খেতি কৰি স্বাৱলম্বী হোৱাৰ মানসেৰে গোলাঘাট জিলাৰ কৃষি বিষয়াৰ লগত যোগাযোগ কৰে আৰু কৃষি বিভাগে আগবঢ়োৱা কৃষি প্ৰশিক্ষণত অংশগ্ৰহণ কৰে।

ইয়াৰ পাছত ২০০২-০৩ বৰ্ষত গোলাঘাট কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰযুক্তিৰ অভিযানৰ আঁচনিৰ অধীনত ১.৫ বিঘা মাটিত ফুলৰ খেতি কৰিবলৈ তেৰ হাজাৰ টকা ৰাজসাহায্য লাভ কৰে আৰু নিজৰ ঘৰতে ফুলৰ নাৰ্চাৰী পাতি নাৰ্জ্জি, ইন্দ্ৰমালতী, ৰজনীগন্ধা, জাৰবেৰা, জেচ্‌মিন, ইন্‌থুৰিয়াম, , গ্লেডীয়'অলাছ আদি বিভিন্ন প্ৰজাতিৰ ফুলৰ খেতি কৰিবলৈ লয়। নাৰ্জ্জি ফুলৰ লগতে গ্লেডীয়'অলাছ ফুলৰ 'বুকে' তৈয়াৰ কৰি ফুলৰ মালা গাঁঠি বিয়া-সবাহ আদিত যোগান ধৰিছে। বিগত বছৰত বৰ্ণালীয়ে তিনিশ কিলোগ্ৰামতকৈও অধিক ফুল বজাৰত যোগান ধৰিছে। তদুপৰি সৰুপথাৰৰ বাছ আস্থানৰ সমীপত ফুল বিক্ৰী কেন্দ্ৰ এটাও স্থাপন কৰিছে। এইদৰে কৃষি বিভাগৰ সহযোগত ফুলৰ খেতি কৰি বৰ্ণালীয়ে স্বাৱলম্বী হৈ নিজৰ লগতে আনৰ কাৰণে অনুপ্ৰেৰণা যোগাইছে।

প্ৰতি কেজি নাৰ্জ্জিফুল ২৮.০০ টকা মূল্যত বিক্ৰী কৰিছে বুলি আমাক জনাইছে।

(উৎস ঃ জিলা কৃষি বিষয়া, গোলাঘাট জিলা)